# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-03-2026 **Time :** 1100 Hrs.

0000000000

কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে আজি অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত বিয়লি ৩ বজাত হ'বলগীয়া অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন জিলাত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত যোৰহাট আৰু ডিব্ৰুগড়ত দুটা দৈনিক একলাখ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংশাধন প্ৰকল্প, ধেমাজিৰ ৰঙাজানত দৈনিক ৫০ হাজাৰ লিটাৰ ক্ষমতাযুক্ত দুগ্ধ সংশাধন প্ৰকল্প আৰু শিৱসাগৰ আৰু শ্ৰীভূমিত দুখন মাল্টিকেয়াৰ পশু চিকিৎসালয় প্ৰকল্প আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট, লখিমপুৰ, তিনিচুকীয়া আৰু কামৰূপ জিলাত নিৰ্মাণ কৰা চাৰিখন মাল্টিকেয়াৰ পশু চিকিৎসালয় উদ্বোধন কৰিব।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী কুচকাৱাজ আৰম্ভ হৈছে। বিজেপিয়ে আজি সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁৱত জন আশীৰ্বাদ যাত্ৰা উলিয়াব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি নাহৰকটীয়া আৰু খোৱাঙত জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। এই যাত্ৰাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই মুখ্যমন্ত্ৰীক সংগ দিয়ে। শতাধিক লোকে এই আশীৰ্বাদ যাত্ৰাত অংশ লোৱাৰ লগতে গায়ন-বায়ন আৰু পুষ্পবৃষ্টিৰে মুখ্যমন্ত্ৰীগৰাকীক আদৰণি জনায়। কংগ্ৰেছ, অসম জাতীয় পৰিষদকে ধৰি বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত কালি গুৱাহাটীত বিৰোধী ঐক্যৰ মাজত আলোচনা অনুষ্ঠিত হয়। অৱশ্যে কালিও বিৰোধী মিত্ৰতা চূড়ান্ত নহ'ল। শাসনাধিষ্ঠিত বিজেপিৰ দৰে বিৰোধী পক্ষই শীঘ্ৰেই ঐক্যবদ্ধভাৱে নিৰ্বাচনী প্ৰচাৰত নামিব বুলি শ্ৰীগগৈয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাক্সা জিলাৰ সদৰ মুছলপুৰত বি পি এফৰ দিছপুৰ চলো কাৰ্য্যসূচীত কালি বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰে।

ইপিনে, ইউ পি পি এল দলে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি টি চিত আৰম্ভ কৰা শান্তি মটৰ চাইকেল সমদল কালি ছিদলী-চিৰাং সমষ্টিত উলিওৱা হয়। দলৰ সভাপতি তথা বি টি চিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কাজলগাঁও শান্তি খেলপথাৰৰ পৰা এই সমদলৰ নেতৃত্ব দিয়ে।

০০০০০০০

অসম বিধানসভাৰ সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা চূড়ান্ত কৰাৰ বাবে আজি নতুন দিল্লীত কংগ্ৰেছ স্ক্ৰীনিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত কংগ্ৰেছ নেত্ৰী তথা স্ক্ৰীনিং কমিটীৰ অসমৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী উপস্থিত থকাৰ কথা।

০০০০০০০

নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত কালিৰ পৰা এখন ৰে'লগাড়ীৰ ষ্টপেজ আৰম্ভ হয়। স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ অন্তত উত্তৰ পূব সীমান্ত ৰে'লৱে ৰঙিয়া সংমণ্ডলে ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত উজনিমুৰা মৰিয়নি জংচনত ১৫৭৬৯ নম্বৰ আৰু নামনিমুৰা আলিপুৰ দুৱাৰ ১৫৭৭০ নম্বৰ ৰে'লখনৰ ষ্টপেজৰ ব্যৱস্থা কৰা হৈছে। কালি নিশা ৮ বাজি ১৪ মিনিটত নামনিমুৰা মৰিয়নি জংচনৰ পৰা আলিপুৰ দুৱাৰ জংচনলৈ অহা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত শ শ ৰাইজৰ উপস্থিতিত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই পতাকা জোকাৰি শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে, এক্সপ্ৰেছ ৰে'লখন ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত ২ মিনিট সময়ৰ বাবে ৰখোৱা হ'ব। ঘগ্ৰাপাৰ ৰে'ল ষ্টেচনত এই ৰে'লগাড়ীখনৰ ষ্টপেজৰ বাবে ঘগ্ৰাপাৰ ৰে'ল যাত্ৰী সন্থাৰ লগতে স্থানীয় দল-সংগঠনে দীৰ্ঘদিনে দাবী জনায় আহিছিল।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে ক্ৰীড়াক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণক উদযাপনৰ লক্ষ্যৰে কাইলৈ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত দেশৰ ২৫০ টা স্থানত অস্মিতা লীগৰ আয়োজন কৰা হৈছে। ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই এই কথা ঘোষণা কৰিছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মাই ভাৰতৰ যুটীয়া উদ্যোগত কাইলৈ ১৩ বছৰ অনুৰ্ধ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰৰ আৰু ১৮ বছৰৰ ঊৰ্ধৰ শাখাত বিভিন্ন খেল অনুষ্ঠিত হ'ব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত কাইলৈ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি নিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই মনৰ ভাব প্ৰকাশ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

ডিব্ৰুগড় জিলা পলিটেকনিক প্ৰতিষ্ঠানৰ সমীপত অৱস্থিত সহকাৰী দুগ্ধ উন্নয়ন বিষয়াৰ কাৰ্যালয়, নগৰীয়া গাখীৰ যোগান আঁচনিৰ আধাৰশিলা স্থাপন আজি অনুষ্ঠিত হ'ব। বিয়লি হ'বলগীয়া এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব।

০০০০০০০

**সমাপ্ত**